জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৫৮/২০২১**

# বদৰপুৰ সমষ্টিৰ বিধায়ক জামাল উদ্দিন আহমেদৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৭ জানুৱাৰী ঃ** বদৰপুৰ সমষ্টিৰ বিধায়ক জামাল উদ্দিন আহমেদৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত জামাল উদ্দিন আহমেদে আমাৰ সমাজ জীৱনলৈ যি সেৱা আগবঢ়াই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত জামাল উদ্দিন আহমেদে এগৰাকী বিধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰি ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াই গৈছে। প্ৰয়াত জামাল উদ্দিন আহমেদে বদৰপুৰ সমষ্টিৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ ক্ষেত্ৰতো বিশেষ অৰিহণা যোগাই গৈছে। তেখেতৰ মৃত্যু আমাৰ ৰাজনৈতিক তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত জামাল উদ্দিন আহমেদেৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ**
২৭/০১/২০২১